**2014**

ASSAMESE

( Major )

Paper : 6.4

**( Asamiya Cutigalpa aru Upanyas )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×৭=৭

(ক) অসমীয়া চুটিগল্পৰ জন্মদাতাজন কোন ?

(খ) প্ৰথম অসমীয়া চুটিগল্পটোৰ নাম লিখা।

(গ) অসমীয়া উপন্যাস সম্ৰাটজনৰ নাম কি ?

(ঘ) জ্ঞানপীঠ বঁটা লাভ কৰা প্ৰথম অসমীয়া সাহিত্যিকগৰাকীৰ নাম লিখা।

(ঙ) কোনখন উপন্যাসৰ বাবে মামণি ৰয়চম গোস্বামীয়ে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল ?

(চ) মাধৱদেৱৰ জীৱনীভিত্তিক উপন্যাসখনৰ নাম লিখা।

(ছ) চুটিগল্পই জন্মলাভ কৰা কাকতখনৰ নাম লিখা।

২। কেৱল উত্তৰটো লিখা : ২×৪=৮

(ক) *The Pilgrim's Progress* নামৰ উপন্যাসখন অসমীয়া ভাষালৈ অনুবাদ কৰা ব্যক্তিজন কোন আৰু উপন্যাসখনৰ নামটো কি দিয়া হৈছিল?

(খ) অসমীয়া ভাষাত ৰচিত প্ৰথম মৌলিক উপন্যাসখন কোনে আৰু কেতিয়া ৰচনা কৰিছিল?

(গ) প্ৰথম অসমীয়া আলোচনী 'অৰুণোদই' (অৰুণোদয়) কোনে প্ৰথমে সম্পাদনা কৰিছিল আৰু কোনটো বছৰত প্ৰকাশ হৈ ওলাইছিল?

(ঘ) নাৰীবাদী দুগৰাকী প্ৰসিদ্ধ লেখিকাৰ নাম উল্লেখ কৰা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ কৰিবা : ৫×৩=১৫

(ক) সাধুকথা আৰু চুটিগল্পৰ সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ বিশ্লেষণ কৰা।

(খ) 'ব্যৰ্থতাৰ দান' গল্পত লক্ষ্মীধৰ শৰ্মাই নাৰীৰ মনস্তত্ত্ব কেনেদৰে দাঙি ধৰিছে, লিখা।

(গ) আধুনিক উপন্যাসৰ উপাদানসমূহৰ বিষয়ে লিখা।

(ঘ) 'মামৰে ধৰা তৰোৱাল' উপন্যাসখনৰ বিভিন্ন চৰিত্ৰৰ মাজেৰে কেনেদৰে নীতিবোধৰ প্ৰকাশ ঘটিছে, বিশ্লেষণ কৰা।

(ঙ) 'অবিনাশী স্বপ্ন' গল্পটোৰ আধাৰত প্ৰবীণা শইকীয়াৰ গল্পৰ বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰা।

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ কৰিবা : ১০×৩=৩০

(ক) ‘ব্যৰ্থতাৰ দান’ গল্পটোৰ মাজেৰে অসমীয়া সাহিত্য আৰু সমাজৰ পৰিৱৰ্তনৰ সম্ভাৱনা কেনেদৰে ফুটি উঠিছে, বিশ্লেষণ কৰি দাঙি ধৰা।

(খ) আধুনিক অসমীয়া সমাজৰ প্ৰেক্ষাপটত ‘অবিনাশী স্বপ্ন’ গল্পটোৰ মূল চৰিত্ৰটো বিশ্লেষণ কৰা।

(গ) অসমীয়া গ্ৰাম্য সমাজৰ চিত্ৰখন ‘সখা-দামোদৰ’ গল্পটোৰ মাজত কিদৰে ফুটি উঠিছে, বৰ্ণনা কৰা।

(ঘ) ‘মামৰে ধৰা তৰোৱাল’ উপন্যাসৰ মাজেৰে শ্ৰমিকসকলৰ ধৰ্মঘট আৰু তাৰ ফলাফল কেনেদৰে ফুটি উঠিছে, বৰ্ণনা কৰা।

(ঙ) মামণি বয়চম গোস্বামীৰ উপন্যাসৰ বৈশিষ্ট্য বিচাৰ কৰা।

(চ) আৱাহন যুগৰ গল্পৰ সৈতে ৰামধেনু যুগৰ গল্পৰ এটি তুলনা আগবঢ়োৱা।

★ ★ ★